**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰত বিশ্ব মঞ্চত প্ৰতিযোগিতাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে আৰু আত্মবিশ্বাস তথা নিৰ্ণায়ক সংস্কাৰ নীতিৰে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত অগ্ৰসৰ হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। লোকসভাত হুলস্থূলীয়া পৰিৱেশৰ মাজতে সদনৰ যুটীয়া অধিৱেশনত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ ধ্বনি ভোটেৰে গ্ৰহণ কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ পুৱা ১০ বজাত দেশৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষাপে চৰ্চাৰ নৱমতম সংস্কৰণত অংশগ্ৰহণ কৰি মত বিনিময় কৰিব।

৪। প্ৰধানমন্ত্ৰীয়ে অহা ১৪ ফেব্ৰুৱাৰীত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব।

*আৰু*

৫। জিম্বাবুৱেৰ হাৰাৰেত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ভাৰত বিশ্ব মঞ্চত প্ৰতিযোগিতাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে আৰু আত্মবিশ্বাস তথা নিৰ্ণায়ক সংস্কাৰ নীতিৰ সৈতে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত হোৱা চৰ্চাত অংশগ্ৰহণ কৰি এইদৰে কয়। তেওঁ লগতে কয়, যে চৰকাৰে সংস্কাৰ, সম্পাদন আৰু ৰূপান্তৰৰ দৃষ্টিভংগীৰে আগবাঢ়িছে আৰু দেশ সংস্কাৰৰ দিশত অগ্ৰসৰ হৈছে।

আমেৰিকা আৰু ইউৰোপীয় সংঘৰ লগত হোৱা বাণিজ্য চুক্তিৰ সন্দৰ্ভত শ্ৰী মোদীয়ে কয়, যে দেশে ৯ খন দেশৰ সৈতে বাণিজ্যিক চুক্তি চূড়ান্ত কৰিছে আৰু ইউৰোপীয় সংঘৰ ২৭ খন দেশৰ লগত হোৱা চুক্তিক সকলোতকৈ শ্ৰেষ্ঠ বুলি উল্লেখ কৰে। তেওঁ কয়, যে দেশে এটা শক্তিশালী উৎপাদন পৰিৱেশতন্ত্ৰ গঢ়ি তুলিছে আৰু উদ্যোগীসকলক সহায় কৰিছে। তেওঁ কয়, যে দেশত বৰ্তমান যুৱ প্ৰতিভা বেছি থকা হেতু বিশ্বই ভাৰতৰ প্ৰতি আশাৰে চাই আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বই দ্ৰুত গতিত এটা নতুন বিশ্ব ব্যৱস্থাৰ দিশত আগবাঢ়িছে আৰু ভাৰত বহু দেশৰ বাবে বিশ্বাসযোগ্য অংশীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কয়, যে সংসদৰ যুটীয়া

অধিৱেশনত দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিগত এটা বছৰত বিকশিত ভাৰতৰ যাত্ৰাত হোৱা দ্ৰুত অগ্ৰগতিৰ ওপৰত আলোকপাত কৰে।

০০০০

ভাৰত আৰু আমেৰিকাৰ মাজৰ বাণিজ্যিক চুক্তিকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধীৰ হুলস্থূলৰ বাবে আজি লোকসভাৰ কামকাজ ধাৰাবাহিকভাৱে ব্যাহত হয়। এই হুলস্থূলীয়া পৰিৱেশৰ মাজতে  সদনৰ যুটীয়া অধিৱেশনত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ ধ্বনি ভোটেৰে গ্ৰহণ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ক্ষোভ প্ৰকাশ কৰি কয়, যে কালি বিৰোধী সাংসদসকলৰ অশান্ত আচৰণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধন্যবাদ প্ৰস্তাৱৰ উত্তৰ দিবলৈ সদনত উপস্থিত হ'ব নোৱাৰিলে। নিম্ন সদন আজি দিনটোৰ বাবে স্থগিত হোৱাৰ পূৰ্বে তিনিবাৰকৈ স্থগিত কৰিবলগীয়া হয়। তৃতীয়বাৰৰ বাবে স্থগিত কৰাৰ পাছত যেতিয়া বিয়লি তিনি বজাত সদন একত্ৰিত হয়, তেতিয়া কংগ্ৰেছ, ডি এম কে, টি এম চি আদিকে ধৰি চৰকাৰৰ বিৰুদ্ধে শ্লোগান দি সংসদৰ মাজলৈ উঠি আহে। এই সময়তে অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদ কৰি থকা সাংসদসকলৰ আচৰণত উদ্দেশ্য কৰি কয়, যে কালি তেওঁৰ কোঠাত কৰা সাংসদসকলৰ আচৰণ আৰু সদনত কৰা এই আচৰণ, সংসদীয়  নীতি-নিয়ম আৰু শিষ্টাচাৰৰ পৰিপন্থী। তেওঁ, বিৰোধী সাংসদসকলৰ এই আচৰণক সংসদীয় ইতিহাসৰ ক'লা দাগ বুলি অভিহিত কৰে। তেওঁ কয়, যে কালি তেওঁ প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দিবলৈ সদনলৈ নাহিবলৈ পৰামৰ্শ দিছিল। কাৰণ কংগ্ৰেছৰ সাংসদসকলে প্ৰধানমন্ত্ৰীক অপদস্ত কৰিব পাৰে বুলি তেওঁৰ হাতত তথ্য আছে। ওম বিৰলাই কয়, যে কোনো অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন নহ'বৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক সদনলৈ নাহিবলৈ অনুৰোধ জনাইছিল।

সদনত হুলস্থূল অব্যাহত থকাৰ সময়তেই অধ্যক্ষই কাইলৈ পুৱা ১১ বজা পৰ্যন্ত সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে দ্বিতীয়বাৰৰ বাবে সদন স্থগিত হোৱাৰ পাছত যেতিয়া বিয়লি দুই বজাত সদন মিলিত হয়, তেতিয়া পুনৰ বিৰোধী সদস্যবিলাকে বিভিন্ন বিষয়ক লৈ শ্লোগান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষগৰাকীয়ে বিৰোধী সদস্যসকলক সহযোগিতাৰে সদনৰ কামকাজ নিয়াৰিকৈ চলাই নিবলৈ আহ্বান জনায়। প্ৰতিবাদ অব্যাহত থকা হেতু পুনৰ অধ্যক্ষই সদন বিয়লি তিনি বজালৈ স্থগিত ৰাখে। বিৰোধীৰ প্ৰতিবাদৰ মাজতে লোকসভাই ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰ পাছতেই অধ্যক্ষই কয়, যে নিম্ন সদনে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা কৰিব আৰু প্ৰতিজন সদস্যই এই সন্দৰ্ভত নিজৰ বক্তব্য ৰাখিবলৈ সুবিধা পাব। বিৰোধীয়ে অব্যাহত ৰখা হুস্থূলীয়া পৰিৱেশৰ বাবে পুনৰ লোকসভা দুই বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হৈছিল।

০০০০

ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত চৰ্চা অব্যাহত আছে। উল্লেখযোগ্য যে, যোৱা মাহৰ ২৮ তাৰিখে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুয়োখন সদনৰ যুটীয়া বৈঠকত ভাষণ দিছিল। চৰ্চাত অংশগ্ৰহণ কৰি বিজেপিৰ সাংসদ মায়া নাৰোলিয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০৪৭ চনৰ ভিতৰত দেশ বিকশিত ভাৰতৰ দিশত নিৰন্তৰভাৱে অগ্ৰসৰ হৈছে। তেওঁ কয়, যে এক লাখতকৈও অধিক আয়ুষ্মাণ আৰোগ্য মন্দিৰৰ দ্বাৰা বৰ্তমান স্বাস্থ্য সেৱা সমগ্ৰ দেশৰ প্ৰতিখন গাঁৱত সহজলভ্য হৈছে। চৰকাৰে কৃষকসকলক অগ্ৰাধিকাৰ দিয়া বিষয়ত জোৰ দি সাংসদগৰাকীয়ে কয়, যে পি এম কিষাণ সন্মান নীধি আঁচনিৰ অধীনত বৰ্তমানলৈকে চাৰি কোটি টকা পোনপটীয়াকৈ কৃষকসকলৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে।

আম আদমী পাৰ্টীৰ সন্দীপ কুমাৰ পাঠকে অভিযোগ কৰি কয়, যে প্ৰতিটো চৰকাৰী প্ৰতিষ্ঠানক অপব্যৱহাৰ কৰা হৈছে। টিডিপিৰ কে আৰ সুৰেশে কয়, যে জি এছ টিয়ে অনা সংস্কাৰ প্ৰশংসনীয়। তেওঁ আৰু কয়, যে ২৪ কোটিতকৈও অধিক নাগৰিকক দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা ওপৰলৈ উঠাই অনাটো আৰু জলজীৱন মিছনৰ দ্বাৰা খোৱাপানী সংযোগ প্ৰদান কৰাটো অতি প্ৰশংসনীয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ পুৱা ১০ বজাত দেশৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষাপে চৰ্চাৰ নৱমতম সংস্কৰণত অংশগ্ৰহণ কৰি মত বিনিময় কৰিব। এই কাৰ্যসূচীৰ লক্ষ্য হৈছে পৰীক্ষাৰ মানসিক চাপৰ বিষয়ে আলোচনা কৰা আৰু পৰীক্ষাক উৎসৱ হিচাপে জীৱনৰ অবিচ্ছেদ্য অংগ বুলি উদযাপন কৰা। এইবাৰ দেৱমগ্ৰা, কয়ম্বাতুৰ, ৰায়পুৰ, গুৱাহাটী আৰু দিল্লীত এই চৰ্চা অনুষ্ঠিত হ'ব আৰু চৰ্চাত চাৰি কোটি ৫ লাখতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব বুলি শিক্ষা মন্ত্ৰালয়ে জনাইছে। অনুষ্ঠানটো পোনপটীয়াকৈ দূৰদৰ্শন, প্ৰধানমন্ত্ৰী ইউটিউব চেনেল আৰু শিক্ষা মন্ত্ৰালয়ৰ সামাজিক মাধ্যম মঞ্চত প্ৰচাৰ কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও উদ্দেশ্য লৈ অসমলৈ আহিব। শ্ৰী মোদীয়ে প্ৰথমে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বাবে ১০০ খন বৈদ্যুতিক বাছ মুকলি কৰিব। গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী ডিব্ৰুগড় জিলাৰ মৰাণলৈ যাব। তাত তেওঁ সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে ই এল এফ, আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত এই অত্যাধুনিক ৰান্‌ৱে নিৰ্মাণ কৰা হৈছে। যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত এই ৰাষ্ট্ৰীয় ঘাইপথ নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। উদ্বোধনীৰ পাছতে মৰাণৰ আকাশত বায়ুসেনাৰ শক্তিশালী যুঁজাৰু বিমানসমূহে উৰণ কৌশল প্ৰদৰ্শন কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব।

০০০০

মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত কোৱালালামপুৰ ভ্ৰমণলৈ যাব। প্ৰধানমন্ত্ৰী মোদীৰ আসন্ন কোৱালালামপুৰ ভ্ৰমণ সন্দৰ্ভত সংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব পি কুমাৰনে কয়, যে এয়া হ'ব প্ৰধানমন্ত্ৰী তৃতীয়বাৰলৈ মালয়েছিয়া ভ্ৰমণ। ইয়াৰ পূৰ্বে ২০২৪ চনৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰী মোদীৰ মালয়েছিয়া ভ্ৰমণৰ সময়ছোৱাত দুয়ো দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব উন্নীত হৈছিল। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰি তুলিব। সচিবগৰাকীয়ে আৰু কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণকালত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ ভাৰত-মালয়েছিয়া সংহত কৌশলগত অংশীদাৰিত্ব বিশেষকৈ বাণিজ্য, প্ৰতিৰক্ষা, নিৰাপত্তা, চেমিকণ্ডাক্টৰ, ডিজিটেল প্ৰযুক্তি আৰু নৱীকৰণযোগ্য শক্তিৰ দৰে অগ্ৰাধিকাৰ প্ৰাপ্ত বিষয়সমূহৰ ক্ষেত্ৰত আলোচনা কৰিব। এই ভ্ৰমণৰ সময়তে দশম ভাৰত

মালয়েছিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ মঞ্চ বা ইণ্ডায়া মালয়েছিয়া চি ই অ' ফ'ৰামৰ বাবেও সময় নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে মালয়েছিয়াৰ অগ্ৰণী চি ই অ' সকলৰ সৈতেও আলোচনাত ভাগ ল'ব। শ্ৰী কুমাৰণে কয়, যে ২০ বিলিয়ন ডলাৰৰ দ্বিপাক্ষিক বাণিজ্যৰে আছিয়ান দেশসমূহৰ ভিতৰত মালয়েছিয়া হৈছে ভাৰতৰ তৃতীয় বৃহৎ বাণিজ্যিক অংশীদাৰ।

০০০০

ভাৰত কাইলৈ জিম্বাবুৱেৰ হাৰাৰেত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰম্ভ হ'ব। ভাৰতে কালি হাৰাৰেত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আফগানিস্তনক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰবেশ কৰে। একেদৰে ইংলেণ্ডে প্ৰথমখন ছেমি ফাইনেলত যোৱা বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক ২৭ ৰাণত পৰাভুত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতীয় দলটো এইবাৰৰ প্ৰতিযোগিতাত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰত প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দল। ভাৰতে এতিয়ালৈকে অভিলেখ সংখ্যক পঞ্চম বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জখল কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ